# অসম কলেজ শিক্ষক সংস্থা
# ASSAM COLLEGE TEACHERS' ASSOCIATION

Regd. No. 51/236/1956/57
Affiliated to All India Federation of University and College Teachers' Organisations
Website : www.aifucto.org.
**ACTA HOUSE, SOLAPAR, GUWAHATI - 781 008**
Ph. No. : President : 94351-34539 :: General Secretary : 94350-64399
**Website : www.acta.org.in**


*Ref*................................ *Date* ২৮/০২/২০২৬

প্ৰতি

সভাপতি/সম্পাদক

. . . . . . . . . . . মণ্ডল সমিতি, অসম কলেজ শিক্ষক সংস্থা

মহাশয়/মহাশয়া

নমস্কাৰ গ্ৰহণ কৰিব। ইয়াৰ দ্বাৰাই আপোনালোকক জনাব বিচাৰো যে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে যোৱা জানুৱাৰী, ২০২২ ৰ পৰা সুদীৰ্ঘ দিন ধৰি অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহৰ সহস্ৰাধিক শিক্ষকৰ পদোন্নতি (Promotion) আৰু স্থানান্তৰকৰণ (Placement) প্ৰক্ৰিয়াটো কোনো চৰকাৰী জাননী নোহোৱাকৈ অতি অন্যায় ভাৱে বন্ধ কৰি ৰাখি কলেজ শিক্ষক সকলক ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰাৰ লগতে অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিছে। বহু অনুনয় বিনয়, আনুষ্ঠানিক-অনানুষ্ঠানিক আলোচনাৰ পিছতো চৰকাৰে আমাৰ ন্যায্য দাবীৰ প্ৰতি অলপো সহাঁৰি নজনোৱাৰ পৰিপ্ৰেক্ষিতত যোৱা ২৭ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাই উপায়ন্তৰ হৈ কলেজ শিক্ষকৰ প্ৰতি কৰা এনেধৰণৰ অন্যায় অবিচাৰৰ প্ৰতিবাদ কৰাৰ লগতে সংস্থাৰ আন আন সমস্যা সমূহৰ আশু সমাধানৰ দাবীত অহা ২ মাৰ্চ, ২০২৬ তাৰিখৰ পৰা এলানি আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে। উক্ত প্ৰতিবাদী কাৰ্যসূচী সমূহৰ সকলো দফাতে আপোনালোকৰ একান্ত সহযোগ আৰু সক্ৰিয় অংশ গ্ৰহণ কামনা কৰিলো।

শিক্ষক ঐক্য জিন্দাবাদ
অসম কলেজ শিক্ষক সংস্থা জিন্দাবাদ।

(ৰাণা কুমাৰ চাংমাই)
সভাপতি
অসম কলেজ শিক্ষক সংস্থা

(বিশ্বজিৎ ভূঞা)
সাধাৰণ সম্পাদক
অসম কলেজ শিক্ষক সংস্থা

অসম কলেজ শিক্ষক সংস্থা
ASSAM COLLEGE TEACHERS' ASSOCIATION
Regd. No. 51/236/1956/57
Affiliated to All India Federation of University and College Teachers' Organisations
Website : www.aifucto.org.
ACTA HOUSE, SOLAPAR, GUWAHATI - 781 008
Ph. No. : President : 94351-34539 :: General Secretary : 94350-64399
Website : www.acta.org.in

Ref. ১ মাৰ্চ, ২০১৩ ৰ পৰা ঘোষিত আন্দোলনৰ কাৰ্যসূচী সমূহ — Date 28/02/2013

১। **১ মাৰ্চ, ২০১৩** : সকলো কলেজ শিক্ষকে ক'লা বেজ পৰিধান কৰি নিজৰ কৰ্তব্য পালন কৰাৰ লগতে প্ৰতিটো পোষ্টৰ পৰা ডাক যোগে অসমৰ মাননীয় মুখ্যমন্ত্ৰীলৈ একোখন স্মাৰকপত্ৰ প্ৰদান। স্মাৰক পত্ৰৰ প্ৰতিলিপি এই পত্ৰৰ লগত প্ৰেৰণ কৰা হ'ল।

২। **১০ মাৰ্চ, ২০১৩** : প্ৰতিবাদী সভা
সভাত প্ৰতি পোষ্টৰ একোজন কৈ প্ৰতিনিধিৰ লগতে পদোন্নতি বন্ধ হৈ থকা সমূহ শিক্ষক সদস্য/সদস্যাক উপস্থিত থাকিবলৈ আহ্বান জনালো। উক্ত সভাত উপস্থিত থাকিব AIFUCTO ৰ সাধাৰণ সম্পাদক অধ্যাপক অশোক বৰ্মণ।
স্থান : বি বৰুৱা কলেজ প্ৰেক্ষাগৃহ, গুৱাহাটী, সময় : ৰাতিপুৱা ১০-৩০ বজা

৩। **১৮ মাৰ্চৰ পৰা 22 মাৰ্চ, ২০১৩** : উচ্চ শিক্ষাধিকৰ্তা (DHE)ৰ কাৰ্যালয়ত ধৰ্ণা
ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ নিৰ্দেশনা

১৮ মাৰ্চ, ২০১৩ : কামৰূপ (মহানগৰ), যোৰহাট, দৰং-ওদালগুৰি আৰু নলবাৰী মণ্ডলৰ অন্তৰ্গত কলেজ সমূহৰ প্ৰতিনিধি।

১৯ মাৰ্চ, ২০১৩ : কামৰূপ(গ্ৰা), ডিব্ৰুগড়, শোণিতপুৰ আৰু হোজাই ডিমা-হাচাও মণ্ডলৰ অন্তৰ্গত কলেজ সমূহৰ প্ৰতিনিধি।

20 মাৰ্চ, ২০১৩ : বৰপেটা, ধুবুৰী, বঙাইগাওঁ-কোকৰাঝাৰ-চিৰাং আৰু গোলাঘাট মণ্ডলৰ অন্তৰ্গত কলেজ সমূহৰ প্ৰতিনিধি।

২১ মাৰ্চ, ২০১৩ : নগাওঁ-মৰিগাওঁ, লক্ষীমপুৰ, ধেমাজি-ঢকুৱাখানা আৰু মাজুলী মণ্ডলৰ অন্তৰ্গত কলেজ সমূহৰ প্ৰতিনিধি।

22 মাৰ্চ, ২০১৩ : শিৱসাগৰ, তিনিচুকীয়া, কাছাৰ, হাইলাকান্দি-কৰিমগঞ্জ, গোৱালপাৰা মণ্ডলৰ অন্তৰ্গত কলেজ সমূহৰ প্ৰতিনিধি

# অসম কলেজ শিক্ষক সংস্থা

## ASSAM COLLEGE TEACHERS' ASSOCIATION

Regd. No. 51/236/1956/57

Affiliated to All India Federation of University and College Teachers' Organisations

Website : www.aifucto.org.

**ACTA HOUSE, SOLAPAR, GUWAHATI - 781 008**

Ph. No. : President : 94351-34539 :: General Secretary : 94350-64399

**Website : www.acta.org.in**


*Ref*................................ *Date*..........................

প্ৰতিটো পোৰ্টৰ পৰা ১০ জন সদস্য/সদস্যাৰ বিপৰীতে ১ জনকৈ সদস্য ধৰ্ণা-কাৰ্যসূচীলৈ প্ৰেৰণ কৰিব । প্ৰতিনিধি নিৰ্বাচন কৰোঁতে একোটা বিভাগৰ পৰা এজনতকৈ অধিক সদস্য নিৰ্বাচন নকৰিব । আন্দোলনৰ এই দফা কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ অহা শিক্ষক সদস্য/সদস্যাৰ শ্ৰেণী সমূহত পাঠদান যাতে ব্যাহত নহয় তাৰ প্ৰতি বাকী শিক্ষক সকলে পদক্ষেপ গ্ৰহণ কৰিব । সম্ভৱপৰ ক্ষেত্ৰত এজন শিক্ষক সদস্য/সদস্যা থকা বিভাগৰ পৰা প্ৰতিনিধি প্ৰেৰণ নকৰিব ।

মণ্ডলৰ সভাপতি/সম্পাদকক ২ মাৰ্চৰ পৰা ৭ মাৰ্চৰ ভিতৰত মণ্ডলৰ কাৰ্যনিৰ্বাহক সভা পাতি বিষয় সম্পৰ্কে সজাগতা সৃষ্টি আৰু জনমত গঠন কৰিবলৈ আহ্বান জনালো ।

আন্দোলনৰ পৰৱৰ্তী কাৰ্যসূচী অহা ২৪ মাৰ্চ, ২০১৬ তাৰিখত অনুষ্ঠিত হবলগীয়া কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ লগত মণ্ডল সমূহৰ সভাপতি/সম্পাদক সমূহৰ যৌথ সভাত ঘোষণা কৰা হব ।

সভাপতি
অসম কলেজ শিক্ষক সংস্থা

সাধাৰণ সম্পাদক
অসম কলেজ শিক্ষক সংস্থা